**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 31-07-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

*::::::::::::::::::::::::::::::::::::*

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

২। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী জীতেন্দ্ৰ সিঙে তৃণমূল পৰ্যায়ৰ উদ্ভাৱকসকলক দেশৰ আনুষ্ঠানিক উদ্ভাৱন ব্যৱস্থাৰ সৈতে জড়িত কৰাৰ বাবে আহ্বান জনাইছে।

৩। অসমৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৮খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে।

৪। ভাৰতৰ সীমান্তৱৰ্তী দক্ষিণ নেপালৰ তেৰাই অঞ্চলৰ কেইবাখনো জিলাত অনিৰ্দিষ্টকালীন সান্ধ্য আইন বলবৎ কৰা হৈছে। ***আৰু***

৫। গ্লাচগ'ত চলি থকা কমনৱেল্‌থ গেমছত ভাৰতে এতিয়ালৈ ৩ টা সোণ, ৯ টা ৰূপ আৰু ৫ টা ব্ৰঞ্জসহ মুঠ ১৭ টা পদক লাভ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনি ২০২৬-২৭ বৰ্ষৰ পৰা ২০৩০-৩১ বৰ্ষলৈ কাৰ্যকৰী হৈ থাকিব বুলি উল্লেখ কৰিছে। এই ৫ বছৰৰ বাবে আঁচনিখন কাৰ্যকৰী কৰাৰ উদ্দেশ্যে মুঠ ৩ লাখ ১৫ হাজাৰ কোটি টকা ধাৰ্য কৰিছে। সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে কেন্দ্ৰীয় চৰকাৰে কৃষকসকলৰ সমৃদ্ধিয়ে যে দেশৰ সমৃদ্ধিৰ মূল ভেটি এই কথাটোক শীৰ্ষ অগ্ৰাধিকাৰ দি আহিছে। তেওঁ কয় যে পি এম কিষাণ আঁচনিৰ জৰিয়তে উপযুক্ত কৃষকৰ পৰিয়াললৈ প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে সময়ে সময়ে স্বচ্ছ পদ্ধতিৰে সাহায্য আগবঢ়াই অহা হৈছে। তেওঁ কয় যে এতিয়ালৈ ২৩ টা কিস্তিত ৪ লাখ ৪৭ হাজাৰ কোটি টকা কৃষকৰ বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হৈছে।

বাইট-অশ্বিনী বৈষ্ণৱ

মন্ত্ৰীসভাই এখন সম্প্ৰসাৰিত খেলো ইণ্ডিয়া আঁচনিত অনুমোদন জনোৱাৰ লগতে ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেছনলৈ আগবঢ়োৱা পুঁজিৰ পৰিমাণ বৃদ্ধি কৰিছে। ২০২৬-২৭ বৰ্ষৰ পৰা ২০৩০-৩১ বৰ্ষলৈ খেলো ইণ্ডিয়াৰ নতুন সম্প্ৰসাৰিত আঁচনি আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেছনৰ বাবে মুঠ ৩৬ হাজাৰ ৪৪১ কোটি টকা ধাৰ্য কৰা হৈছে। নতুন দিল্লীত সাংবাদিকৰ আগত এইকথা প্ৰকাশ কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে চৰকাৰৰ এই সিদ্ধান্তই ক্ৰীড়া শক্তিৰ জৰিয়তে যুৱ প্ৰজন্মক আগুৱাই নিয়া আৰু ৰাষ্ট্ৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰিছে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে প্ৰতিগৰাকী প্ৰতিভাৱান যুৱক-যুৱতীয়ে নিজৰ উৎকৃষ্টতা প্ৰদৰ্শন কৰাৰ সুযোগ লাভ কৰে। সেয়া সুনিশ্চিত কৰা। তেওঁ লগতে কয় যে এই আঁচনিৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যাতে দেশৰ খেলুৱৈসকলে খেল প্ৰদৰ্শন কৰিব

পাৰে তাৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। মন্ত্ৰীসভাই ২০৩০-৩১ বিত্তীয় বৰ্ষৰ বাবে সমুদ্ৰ মন্থন আঁচনি ৰূপায়ণৰ উদ্দেশ্যে ৮৪ হাজাৰ কোটি টকা আবণ্টন দিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই শক্তি ভাণ্ডাৰ ব্যৱস্থাৰ সৈতে ওপঙা সৌৰ শক্তি চালিত বিদ্যুৎ উৎপাদন প্ৰকল্প বিকশাই তোলাৰ বাবে প্ৰধানমন্ত্ৰী সূৰ্য্য সৰোবৰ প্ৰকল্পত অনুমোদন জনাইছে। নতুন দিল্লীত আজি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই আঁচনিখনৰ বাবে মুঠ ৫ হাজাৰ ৭০ কোটি টকাৰ আবণ্টন দিয়া হৈছে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত ৫ হাজাৰ মেগাৱাটৰ ওপঙা সৌৰ শক্তি চালিত বিদ্যুৎ উৎপাদন প্ৰকল্প বিকশাই তোলা হ'ব। এই প্ৰকল্পৰ সৈতে জড়িত শক্তি ভাণ্ডাৰ প্ৰণালীৰ ন্যূনতম মজুত ক্ষমতা দুঘণ্টা আৰু মুঠ শক্তি ভাণ্ডাৰ ক্ষমতা ১০ হাজাৰ মেগাৱাট হ'ব। শ্ৰীবৈষ্ণৱে কয় যে ইয়াৰ বাবে অতিৰিক্ত ভূমি অধিগ্ৰহণৰ প্ৰয়োজন নাই। ইয়াৰ জৰিয়তে জলাশয়, খাল-বিল, আৰু ঔদ্যোগিক পুখুৰীসমূহৰ উপযুক্ত ব্যৱহাৰ কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। এই আঁচনিখন ৫ বছৰৰ বাবে কাৰ্যক্ষম হ'ব।

০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী জীতেন্দ্ৰ সিঙে তৃণমূল পৰ্যায়ৰ উদ্ভাৱকসকলক দেশৰ আনুষ্ঠানিক উদ্ভাৱন ব্যৱস্থাৰ সৈতে জড়িত কৰাৰ বাবে আহ্বান জনাইছে। তেওঁ কয়, যে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ উদ্ভাৱকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ উপস্থিতিত আয়োজিত তৃণমূল পৰ্যায়ৰ উদ্ভাৱকসকলক স্বীকৃতি সমাৰোহত শ্ৰীসিঙে কয় যে দেশৰ পৰৱৰ্তী বিকাশৰ ঢৌ গৱেষণাগাৰ বা বৃহৎ মহানগৰৰ পৰা নহয় বৰঞ্চ গাওঁ, সৰু চহৰ, নগৰ আৰু তৃণমূল পৰ্যায়ৰ উদ্ভাৱকসকলৰ পৰাই সৃষ্টি হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে বিজ্ঞান, প্ৰযুক্তি আৰু উদ্যমিতা এটা ৰাষ্ট্ৰব্যাপি আন্দোলনলৈ পৰিৱৰ্তন কৰিলে।

০০০০০

অসমৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৮খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে। সবাতোকৈ ক্ষতিগ্ৰস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বহু অঞ্চল এতিয়াও আৱদ্ধ পানীত তল গৈ আছে। সাম্প্ৰতিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮০ লৈ বৃদ্ধি পাইছে।

স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে বানপানীৰ পাছৰ সময়ত হ'বপৰা সংক্ৰমণজনিত ৰোগৰ পৰা হাত সাৰিবলৈ জনসাধাৰণক সতৰ্ক হ'বলৈ আহ্বান জনাইছে। ৰাজ্যৰ স্বাস্থ্য বিভাগে বানৰ কবলত পৰা অঞ্চলসমূহত জিলা দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ সহযোগত স্বাস্থ্য শিবিৰৰ আয়োজন কৰাৰ লগতে কেতবোৰ স্বাস্থ্য সুৰক্ষাৰ বিধি নিৰ্দেশ কৰিছে। এই বিধি অনুযায়ী আৱৰ্জনা বা মৃত জীৱ-জন্তু স্পৰ্শ কৰিবলৈ হাত মোজা পিন্ধাৰ অনুৰোধ কৰা হৈছে। ইয়াৰ লগতে স্বাস্থ্য বিভাগে বানত ভিজা ঔষধ পুনৰ ব্যৱহাৰ নকৰিবলৈ আহ্বান জনাইছে।

বান বিধবস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাত, জিলা প্ৰশাসন আৰু স্বেচ্ছাসেৱী সংগঠনসমূহৰ সক্ৰিয় সহযোগত বান সাহায্য বিতৰণ কাৰ্যসূচী পূৰ্ণগতিত চলি আছে। শেহতীয়া বানত সবাতোকৈ ক্ষতিগ্ৰস্ত দুয়োখন জিলাতে কেইবাটাও শিখ ধৰ্মাৱলম্বী সংগঠনে পুনৰবাসনৰ কাম আৰম্ভ কৰিছে। শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বান বিধবস্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকললৈ অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ পৰা পঠিওৱা পাঠ্যপুথি সমূহৰ প্ৰথমটো গোট আজি তিনিওখন জিলাৰ শিক্ষা বিভাগৰ বিষয়াসকলৰ হাতত আনুষ্ঠানিকভাৱে চমজাই দিয়া হয়।

বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাৰ ৫৪০খন আৰু চৰাইদেউ জিলাৰ ১১২খন বিদ্যালয়ৰ পৰিস্কাৰকৰণ আৰু শিক্ষা অনুকূল পৰিবেশ পুনৰ স্থাপন হোৱালৈকে শিৱসাগৰ জিলা গৰম বন্ধ ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে।

০০০০০

দিল্লীৰ এখন আদালতে আজি আম আদমী পাৰ্টীৰ পূৰ্বৰ পাৰিষদ তাহিৰ হুছেইন আৰু আন ৪ জনক ২০২০ চনত দিল্লীত সংঘটিত হিংসাত্মক ঘটনাৰ সময়ত চোৰাংচোৱা বিভাগৰ বিষয়া অংকিত শৰ্মাৰ হত্যাৰ গোচৰত যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিছে। অতিৰিক্ত সত্ৰ ন্যায়াধীশ প্ৰবীন সিঙে আজি ৫ গৰাকী অভিযুক্তৰ বিৰুদ্ধে এই ৰায় দিয়ে। উল্লেখযোগ্য যে যোৱা ১৩ তাৰিখে আদালতে তাহিৰ হুছেইন আৰু আন ৪ জনক এই হত্যাকাণ্ডৰ দোষী সাব্যস্ত কৰিছে। হিংসাত্মক ঘটনাৰ সময়ছোৱাত অংকিত শৰ্মাক বহুকেইজন লোকে আক্ৰমণ কৰিছিল। পাছত তেওঁৰ মৃতদেহ নৰ্দমাত উদ্ধাৰ কৰা হৈছিল।

০০০০০

ভাৰতৰ সীমান্তৱৰ্তী দক্ষিণ নেপালৰ তেৰাই অঞ্চলৰ কেইবাখনো জিলাত অনিৰ্দিষ্টকালীন সান্ধ্য আইন বলবৎ কৰা হৈছে। চুবুৰীয়া চুনচাৰিত শেহতীয়াকৈ সংঘটিত সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা প্ৰতিবাদৰ বাবে সান্ধ্য আইন জাৰি কৰা হৈছে। ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পোডেল আৰু প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে জনসাধাৰণক শান্তি, একতা আৰু শৃংখলা বজাই ৰখাৰ বাবে আহ্বান জনাইছে। এতিয়ালৈ হিংসাত্মক ঘটনাত ৩ জন লোকৰ মৃত্যু হৈছে। প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে।

০০০০০

প্ৰশ্নকাকত ফাদিল বিৰোধী বিধেয়ক সন্দৰ্ভত বিতৰ্কৰ সময়ত সংসদত দিয়া মন্তব্যক লৈ বিজেপি সাংসদ অনুৰাগ ঠাকুৰে কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিৰুদ্ধে বিশেষ সুবিধা ভংগ আৰু সদনক অৱমাননা কৰাৰ বাবে জাননী জাৰি কৰিছে। সাংসদৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীঠাকুৰে কয় যে তেওঁ এই সন্দৰ্ভত লোকসভাৰ অধ্যক্ষক আনুষ্ঠানিকভাৱে জাননী জাৰি কৰি ৰাহুল গান্ধীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে শ্ৰীগান্ধীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন কৰিছে।

০০০০০

ভাৰতীয় বক্সিং খেলুৱৈ প্ৰীতি পাৱাৰ গ্লাচগ'ত চলি থকা কমনৱেল্থ গেমছৰ মহিলাৰ ৫৪ কিলোগ্ৰাম শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰীতিয়ে আজি জাম্বিয়াৰ কেথৰীণ মাৱাপেক ৫-০ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ইয়াৰ ফলত ভাৰতৰ এটা ৰূপক পদক লাভ কৰাত নিশ্চিত হৈ পৰে। খেলুৱৈগৰাকীয়ে কাইলৈ ফাইনেলত কানাডাৰ স্কাৰলেত দেলগাদোৰ বিৰুদ্ধে খেলিব। ভাৰতে এতিয়ালৈ ৩ টা সোণ, ৯ টা ৰূপ আৰু ৫ টা ব্ৰঞ্জৰ পদকসহ মুঠ ১৭ টা পদক লাভ কৰিছে।

০০০০০

ভাৰতৰ উন্নতি হুদা আৰু তনৱী শৰ্মাই টাইপেই অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।  উন্নতিয়ে প্ৰতিদ্বন্দী খেলুৱৈ দেৱীকা সিহাগক ২৩-২১, ২১-১৬ আৰু তনৱীয়ে থাইলেণ্ডৰ চুপানিদা কাটেহংগক ২১-১৫, ১৮-২১, ২১-১৪ পোনপটীয়া গেমত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ